# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৭৬৯/২০২০**

## বিশিষ্ট ফটো সাংবাদিক, সাহিত্যিক মহেশ চন্দ্ৰ মেধিৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৮ নৱেম্বৰ ঃ** বিশিষ্ট ফটো সাংবাদিক, সাহিত্যিক মহেশ চন্দ্ৰ মেধিৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ।

আজি এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত মহেশ চন্দ্ৰ মেধিয়ে সংবাদ আৰু সাহিত্য জগতলৈ যি অৱদান আগবঢ়াই গ'ল, সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত মহেশ চন্দ্ৰ মেধিয়ে সংবাদ পৰিৱেশন তথা সাংবাদিকতাৰ কৰ্মৰাজিত সুস্থ সাংবাদিকতাৰ নীতি আৰু আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে। প্ৰয়াত মেধিয়ে সংবাদসেৱাৰ লগতে সৃষ্টিশীল লেখনিৰে অসমৰ সাহিত্যক্ষেত্ৰলৈ বহুমূলীয়া অৱদান আগবঢ়াই গৈছে। কেবাখনো গ্ৰন্থ, আলোচনী প্ৰকাশ আৰু সম্পাদনাৰে ৰাজ্যৰ সাহিত্য ক্ষেত্ৰক সমৃদ্ধ কৰি তোলাত তেখেতে অৰিহণা আগবঢ়াই গৈছে। ছাত্ৰ অৱস্থাৰে পৰা বিভিন্ন সামাজিক সংগঠনৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবে প্ৰয়াত মেধিয়ে কাম কৰি গৈছে। এই গৰাকী ফটো সাংবাদিক তথা সাহিত্যিকৰ মৃত্যু আমাৰ সমাজজীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত মহেশ চন্দ্ৰ মেধিৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বিশিষ্ট ফটো সাংবাদিক, সাহিত্যিক মহেশ চন্দ্ৰ মেধিৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। এক শোকবাৰ্তাত মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে প্ৰয়াত মেধিয়ে ৰাজ্যৰ সংবাদজগতলৈ যথেষ্ট বৰঙণি যোগাই গৈছে। এইগৰাকী সাংবাদিকে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাতৰিকাকতৰ জৰিয়তে অসমৰ সমস্যাৰাজি ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰিছিল। মিডিয়া উপদেষ্টাগৰাকীয়ে লগতে কয় যে প্ৰয়াত মেধিয়ে বিভিন্ন গ্ৰন্থ ৰচনা কৰি আমাৰ সাহিত্য জগতলৈও বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে।

মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত মহেশ চন্দ্ৰ মেধিৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

উল্লেখ্য যে বিশিষ্ট সংবাদসেৱী তথা সমাজ সচেতন ব্যক্তি হিচাপে সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে আয়োজন কৰা 'ৰাষ্ট্ৰীয় প্ৰেছ দিৱস-২০২০' অনুষ্ঠানত প্ৰয়াত মহেশ চন্দ্ৰ মেধিক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সম্বৰ্দ্ধনা জ্ঞাপন কৰিছিল।

**পুঃডেঃ / বঃভাঃ**
**১৮/১১/২০২০**